

আমৰাপ
বুৰঞ্জী বিভাগ
বৰ্ষ
২০২২

# সম্পাদনা সমিতি

* উপদেষ্টা মণ্ডলী :- শ্ৰীযুতা উৎপলা গোস্বাঁই চমুৱা। শ্ৰীযুতা দীপজোনালী ভূঞা।

* সভাপতি :- শ্ৰীযুত প্ৰবীণ শৰ্মা

* উপ-সভাপতি :- শ্ৰীযুতা কৃষ্ণা কছাৰী, শ্ৰীমতী ৰিতুমণি অনিদকৈ

* মুখ্য সম্পাদিকা :- নেন্সী বৰগোহাঁই

* প্ৰচ্ছেদ পৰিকল্পনা আৰু অলংকৰণ :- ময়ুৰ কৃষ্ণ গগৈ, হাবিবা আমেতাৰ বড়া

* আখৰ লিখনি :- চিত্ৰালী, অংকিতা, পাপৰি, চিন্ময়ী, কবিতা, ৰূপা, মানচিষণ, ময়ুৰকৃষ্ণ।

# শুভেচ্ছাবাণী

বুৰঞ্জী বিভাগৰ ছাত্ৰীসকলে বিগত বছৰবোৰৰ দৰে এইবাৰো হাতে লিখা এখনি আলোচনী "খাসৰাপ" প্ৰকাশ কৰিবলৈ লৈছে ই শিৱসাগৰ ছোৱালী কলেজৰ বাবে এক আনন্দৰ খবৰ। এনে প্ৰচেষ্টাই ছাত্ৰীসকলৰ উন্নয়নত সহায় কৰিব বুলি আশা কৰিলো। এই শুভ কৰ্ম অবিৰতভাৱে চলি থাকক তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বুৰঞ্জী বিভাগৰ অধ্যাপক অধ্যাপিকা আৰু সকলো ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰিলো।

ৰীতা বৰকটকী
(DR. RITA BORKOTOKY)
Principal In-charge
Sibsagar Girls' College
Sivasagar

# সম্পাদকীয়……

মানৱ সমাজক উন্নতিৰ শিখৰলৈ লৈ যোৱা চালিকা শক্তি হৈছে শিক্ষা। সাহিত্য আৰু শিক্ষা একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। প্ৰকৃতাৰ্থত, সুশিক্ষাইহে জ্ঞানৰ দুৱাৰ মুকলি কৰে আৰু সেই জ্ঞানেই মানুহক প্ৰদান কৰে এক অফুৰন্ত শক্তি। শিক্ষাই যেনেকৈ জ্ঞান দিয়ে ঠিক তেনেকৈ সাহিত্যই জ্ঞানৰ পৰিধি বিকশিত কৰে।

'প্ৰতিভা' মানে হ'ল কোনো বিশেষ ক্ষেত্ৰ বা বিষয়ত ব্যতিক্ৰমভাৱে পাৰদৰ্শিতা প্ৰদৰ্শন। প্ৰতিভাৱান লোকসকলে তেওঁলোকৰ প্ৰতিভাৰ বাবে সমাজত বিশেষ আদৰ, বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হয়। ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰিবৰ বাবে বিদ্যালয়ৰ আলোচনী এখনৰ অতিকৈ প্ৰয়োজন। সেইয়া প্ৰাচীৰ পত্ৰিকাই হওঁক বা হাতেৰে লিখা আলোচনীয়েই হওঁক।

প্ৰতিভাৱান ব্যক্তিসকলৰ জীৱনৰ পথ বৰ মসৃণ নহয়। সমগ্ৰ পৃথিৱীৰ প্ৰায় সকলোবোৰ প্ৰতিভাৱান ব্যক্তিয়েই সমাজৰ স্বীকৃতি পাবলৈ কঠোৰ সংগ্ৰাম কৰিব লগাত পৰে। যুগৰ পৰিবৰ্তনৰ লগে লগে এতিয়াৰ প্ৰতিভাৱান ব্যক্তিসকলে সামাজিক স্বীকৃতি পাবলৈ আগৰ দৰে বাধা সংঘাত অতিক্ৰম কৰিব নালাগে।

ছাত্ৰ-ছাত্ৰীৰ মাজত লুকাই থকা প্ৰতিভাসমূহ বিকশিত কৰাৰ প্ৰশস্ত খোজটোৱেই হৈছে বিদ্যালয় বা মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী।

"মানসৰাগ"ৰ সহায়ত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাসমূহ যেনে- প্ৰবন্ধ, গল্প, কবিতা আদি বিভিন্ন সৃষ্টিশীল লেখনি প্ৰকাশ কৰি প্ৰত্যেককে উৎসাহ প্ৰদান কৰাৰ চেষ্টা কৰা

হৈছে। এই মামেৰাপুৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ সুপ্ত সৃজনীশীল প্ৰতিভা বিকাশ তথা চিন্তা শক্তি উন্নত কৰণৰ বাবে প্ৰয়াস কৰা হৈছে। বহু ছাত্ৰীয়ে কবিতা ৰচনা কৰি, ছবি আঁকি, গল্প বা সাধু লিখি ভাল পায়। বহু শিক্ষাৰ্থীয়ে লিখা-মেলা কৰে যদিও অপ্ৰকাশিত হৈয়ে ৰয়, তেনে ক্ষেত্ৰত এই আলোচনীত তেওঁলোকৰ লেখনিসমূহ উপস্থাপন কৰাৰ সুযোগ প্ৰদান কৰা হৈছে। বুৰঞ্জী বিভাগৰ ই এক অনন্যতম আৰু আদৰণীয় প্ৰয়াস গতিকে আশা কৰো যে এই “মামেৰাপুৰ” সহায়ত ছাত্ৰীসকলে তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহৰ বিকাশ ঘটাই ভৱিষ্যতে যাতে এগৰাকী প্ৰতিভাশালী নাৰী হিচাপে সাহিত্য আৰু শিক্ষাৰ জগতখনলৈ গৌৰৱ কঢ়িয়াব পাৰে।

নেহা বৰগোঁহাই
পঞ্চম ষাণ্মাসিক



(প্ৰবন্ধ)

# শংকৰজ্যোতিৰে চিৰ জ্যোতিষ্মান অসমীয়া সংস্কৃতি

জাতি এটাৰ ভাষা সাজ আৰু লোকবিশ্বাস আচাৰ আচৰণ স্থাপত্য ভাস্কৰ্য, নৃত্য-গীত, বাদ্য অভিনয় উৎসৱ আদিবোৰ জাতিটোৰ সংস্কৃতিৰ উপাদান। এনে উপাদানবোৰ সুৰুচিপূৰ্ণ হ'লেহে সংস্কৃতিয়ে নিজস্ব ৰূপ লাভ কৰে। সংস্কৃতি মানৱ জাতিৰ সুকুমাৰ ৰুচিবোধ, সংস্কৃতিয়ে মানৱ জীৱনৰ যাপোণ, একো একোটা জাতি জনগোষ্ঠীৰ একোখন দেশৰে জীৱন চৰ্চাৰ ধ্বজা বহণ কৰে। নিজ নিজ সংস্কৃতিয়ে মানৱ জীৱনৰ ধৰ্ম কৰ্ম, চিন্তা-চৰ্চা সমন্বিতে পৰিশীলিত সুন্দৰ কলাত্মক প্ৰকাশেই সংস্কৃতি।

মানুহৰ ক্ৰমবিকাশৰ ইতিহাসেই সংস্কৃতি পৰিবৰ্তনশীল বুৰঞ্জী। সংস্কৃতিৰ জন্মৰ কোনো নিৰ্দিষ্ট দিন তাৰিখ যেনেকৈ নাই তেনেকৈ কোনো নিৰ্দিষ্ট যুগৰ পৰাই আৰম্ভ হৈছে বুলি ক'ব নোৱাৰি। একোটা যুগত একোজন মহান মনিষী জন্ম হৈ জাতি তথা জাতীয় তথা জাতি সংস্কৃতি মহিয়াণ কৰি নতুন গতি দি গৈ যায়।

অসম এখন সৰু দেশ। চুতীয়া, কছাৰী, কোচ, মৰাণ, মটক, আহোম, জয়ন্তীয়া, মিচিং, বড়ো, আদি অনেক ৰাজতন্ত্ৰৰ অধীনত থকা বিভিন্ন অসমৰ ধৰ্মীয় আৰু ৰাজনৈতিক সমস্যাৰে জৰ্জৰিত সংঘাতপূৰ্ণ সময়ত শ্ৰীমন্ত শংকৰদেৱৰ জন্ম। শংকৰদেৱে এনে আৰু অদ্বিতীয় ব্যক্তি যি বাৰে ৰহণীয়া অসমীয়া সংস্কৃতিৰ অনেক নৈ, উপনৈ একত্ৰিত কৰি সু-বিশাল আৰু চিৰপ্ৰবাহমান অসমীয়া সংস্কৃতিৰ বৰ লুইত পাতিলে। মানৱ জাতিৰ সুকুমাৰ ৰুচিবোধে সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰে। শ্ৰীমন্ত শংকৰদেৱে এনে ৰুচিবোধৰ গঢ় দিয়ে। এক নতুন যুগৰ সূচনা কৰিলে। সাহিত্য, সংগীত, চিত্ৰ-নৃত্য, বাদ্য, কীৰ্তন, অভিনয় অধ্যয়ন আদি সকলো ধৰণৰ

কলাৰে এক সুন্দৰ নান্দনিক দৰ্শন পাতি জাতিটোক সৌন্দৰ্যশালী কৰি তুলিলে। মানসিক বিকাশ আৰু বৌদ্ধিক চেতনাই মানুহক দিলে অপৰিসীম প্ৰেৰণা।

শংকৰদেৱৰ একেশ্বৰবাদী দৰ্শনৰ সাহিত্যই বিচ্ছিন্ন জাতিটোক একমুখী কৰিলে। তেওঁৰ সাহিত্যই পাঠক শ্ৰোতাক দিলে উচ্চমানৰ দাৰ্শনিক ভিত্তি আৰু উচ্চতৰ জীৱন প্ৰেৰণা। বৈষ্ণৱ সাহিত্য সংস্কৃতি অসমীয়া সমাজক এটা সুকীয়া জাতি সত্তা দান কৰিলে যাৰ বাবে গভীৰ তত্ত্ব সমৃদ্ধি দৰ্শন হৈও ৰস সমৃদ্ধ সাহিত্য হ'ল কেৱল এইয়ে নহয় সাহিত্যৰ আকৰ্ষণ আৰু আদৰ্শৰ বান্ধোনে অসমীয়া জাতিক অগ্ৰাসিলনৰ সত্তা জাতি কৰি একত্ৰে সমাজ পাতিলে। শংকৰদেৱে পঞ্চদশ শতিকাতেই অসমৰ পথ সংস্কৃতিৰ অনেক আহিলা ধৰ্মৰ সাজেদি প্ৰতিষ্ঠা কৰি একত্ৰিত সমাজ পাতি পথ সংস্কৃতিক জীপাল কৰিছিল। জনতাৰ শিল্পীসকলৰ প্ৰতিফলনত প্ৰাচীন অসমীয়া সলোৱা অনুষ্ঠান পুতলা, নাচ, ওজা-পালি, দেউধনী নৃত্য আদিত গুৰুজনাই বিচাৰি পালে, সাহিত্য কলা আৰু চাৰু কলাৰ সমন্বয়ৰ প্ৰতীক অংকীয়া নাটৰ অভিনয় কলা কৌশল।

অসমৰ সংস্কৃতি পথাত বিশাল প্ৰতিভাধৰ শংকৰদেৱে প্ৰতিভাশালী ভূমিকাৰে মনোবিজ্ঞানী আৰু সমাজবিজ্ঞানীৰ দৰে সুদূৰ প্ৰসাৰী চিন্তাৰে কলাৰ যি বোধন কৰি গ'ল ই বৰ্তমানেও প্ৰাসংগিক।

সীমাৰাণী ভূঞা

পঞ্চম ষাণ্মাসিক

প্ৰবন্ধ

# ৰাষ্ট্ৰীয় শিক্ষানীতি 2022-23 : NEP

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশনাত মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে নতুন শিক্ষানীতি মুকলি কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি 2020 কেন্দ্ৰীয় কেবিনেটৰ দ্বাৰা অনুমোদিত হোৱাৰ পিছত 29 জুলাই 2020 তাৰিখে মুকলি কৰা হৈছিল। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে (NEP2020) 1986 চনত প্ৰস্তুত কৰা 34 বছৰ পুৰণি ৰাষ্ট্ৰীয় শিক্ষানীতি (NEP)ৰ স্থান লয়।

ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) প্ৰথমে 1986 চনত প্ৰস্তুত কৰা হৈছিল, আৰু পৰৱৰ্তী সময়ত 1992 আৰু 1998 চনত সংশোধন কৰা হৈছিল। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি 2020 হৈছে দেশৰ শিক্ষা ব্যৱস্থাৰ পুনৰ্গঠনৰ দিশত এক ব্যাপকতামূলক পদক্ষেপ। এইটো এটা সাহসী আৰু উচ্চাকাংক্ষী নীতি যিয়ে পৰৱৰ্তী দশকত শিক্ষা ব্যৱস্থাৰ এক আমূল পৰিৱৰ্তন আনিব বিচাৰে।

এই নীতিৰ লক্ষ্য হৈছে ভাৰতৰ শিক্ষা ব্যৱস্থাক পৰিৱৰ্তন কৰা আৰু ইয়াক আন্তৰ্জাতিক মানদণ্ডৰ সমতুল্য কৰা। ই সকলোকে মানদণ্ডৰ শিক্ষা প্ৰদান কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে, তেওঁলোকৰ আৰ্থ-সামাজিক পৃষ্ঠভূমি নিৰ্বিশেষে। এইটো ভাৰতৰ শিক্ষা ব্যৱস্থাৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ই দেশ আৰু ইয়াৰ লোকসকলৰ মাজত বৃহৎ সংস্কাৰ আৰু পৰিৱৰ্তন আনিব।

বৃত্তিমূলক শিক্ষা হৈছে নতুন শিক্ষা নীতিৰ আদৰ্শ। ইয়াত স্কুলীয়া শিক্ষাৰ পঞ্চম বৰ্ষলৈকে মাতৃভাষা আৰু আঞ্চলিক ভাষা শিকোৱা অন্তৰ্ভুক্ত থাকে। বৃত্তিমূলক দক্ষতাৰ প্ৰশিক্ষণ ষষ্ঠ শ্ৰেণীৰ পৰা অন্তৰ্ভুক্ত কৰা হ'ব।

এই আইনৰ বিষয়সমূহ হ'ল —:

i) শিক্ষাৰ্থীসকলে পাঠ্য কিতাপৰ পৰা বস্তুবোৰ কিমান ভালদৰে মনত ৰাখে তাৰ সলনি প্ৰকৃত সমস্যা সমাধানৰ বাবে ধাৰণা প্ৰয়োগ কৰাৰ সামৰ্থ্যৰ ওপৰত পৰীক্ষা কৰা হ'ব।

ii) ই গুৰুত্ব দিয়ে যে তিনিটা ভাষাৰ সূত্ৰ বিদ্যালয়ত অনুসৰণ কৰা হ'ব, আঞ্চলিক ভাষা, ইংৰাজী আৰু হিন্দীৰ ওপৰত গুৰুত্ব দি।

iii) ইয়াৰ লক্ষ্য হৈছে 2035 চনৰ ভিতৰত উচ্চ শিক্ষাত মুঠ নামভৰ্তি অনুপাত 50% লৈ বৃদ্ধি কৰে।

iv) শিক্ষাৰ্থী সকলৰ বাবে আঞ্চলিক ভাষা শিকা সহজ কৰি তুলিবলৈ, প্ৰথম পাঁচটা শ্ৰেণীৰ নিৰ্দেশনা ইংৰাজীৰ সলনি সেই ভাষা বোৰতে শিকোৱা হ'ব।

v) এই আঁচনিখনে এক নতুন 5+3+3+4 শিক্ষা গাঁথনি প্ৰৱৰ্তন কৰে, যি বৰ্তমানৰ 10+2 প্ৰণালীৰ পৰা আঁতৰি যায়।

vi) চৰকাৰে ঘোষণা কৰিছে যে চিকিৎসা আৰু আইন মহাবিদ্যালয়ৰ বাহিৰে সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠান একক নিয়ন্ত্ৰকৰ দ্বাৰা পৰিচালিত হ'ব।

vii) স্নাতকোত্তৰ ডিগ্ৰী (এমফিল) পাঠ্যক্ৰমৰ আৰু প্ৰয়োজন নহ'ব।

নামঃ বেন্সী বৰগোহাঁই,
পঞ্চম ষাণ্মাসিক

গল্প

# অভাৱ......

স্কুলখনৰ ভিতৰতে ৰঞ্জন মেধাৱী ছাত্ৰ। গোটেই বিদ্যালয়ৰ সকলো শিক্ষাগুৰুসকলে তাক বৰ মৰম চেনেহ কৰে। শিক্ষক দিৱস আহি আছে, বিদ্যালয়ৰ প্ৰতিবছৰৰ দৰে এইবাৰো শিক্ষক দিৱস ধুমধামেৰে উদ্যাপন কৰিবলৈ লৈছে, গোটেই বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ প্ৰিয় শিক্ষক-শিক্ষয়িত্ৰীসকলক কোনে কি উপহাৰ দিব তাক লৈ এইকেইদিন আলোচনা চলি আছে। ৰঞ্জনহঁতৰ শ্ৰেণীটো বাদ পৰি নৰ'ল। ৰঞ্জনেও তাৰ প্ৰিয় শিক্ষাগুৰুসকলক একোটাকৈ কলম দিবলৈ মন মেলিলে। সেই দিনা বিদ্যালয়ৰ পৰা ঘৰ পাই মাকক পাকঘৰৰ পৰা উৎকণ্ঠ মাতি ক'লে — মা, শুনিছা আমাৰ বিদ্যালয়ত শিক্ষক দিৱস পাতিবলৈ লৈছে আৰু সকলোৱে ছাৰ-বাইদেউসকলক উপহাৰ দিব। সেয়ে মইও মোৰ প্ৰিয় ছাৰ-বাইদেউসকলক একোটাকৈ কলমেৰে উপহাৰ দিব বিচাৰিছো। তাৰ বাবে মোক টকা কেইটামান দিয়া। মই সাতকে অসীম কাইৰ দোকানৰ পৰা

কলম দিমনি আপোনাক।' এনে লোকেও থাকে যি সাহায্য পালে তাক সেইটোক আজি একাগ্ৰতাৰে পঢ়ি অনুভৱ থাকে কোনো কাৰোবালৈ ধাৰ পৰা নাই। দিয়াৰে তাৰ দায়ৰ আজিও দায়িত্বৰ মাজত চলি আছে। মাকে মুখেৰে কথাবিলাক গম হৈ শুনি আছিল, তাক ক'লে, " সোণ এইকেইদিন টকা পইচাৰ বৰ অসুবিধা হৈ আছে দেউতাৰেও কামলৈ যাব পৰা নাই তোক নাই পঢ়ুৱা ক'ব পৰা যোগাৰ কৰি দিও. এইবাৰলৈ তালৈকে যাবলৈ দে পাৰিলে শিক্ষক দিৱসৰ দিনা প্ৰতিযোগিতা তাৰ বাহিৰৰ আশীষ দিবলৈ সেৱা কৰিবি।" মাকৰ কথা শুনি শুনি তাৰ চকুৰেদি দুখৰে চকুলো বাগৰি পৰিল। তাক দিনবোৰৰ সুকলম বহি দি ভগৱানৰ প্ৰতি আকুল প্ৰকাশ কৰিলে - " হে ভগৱান আমাৰ অভাৱবোৰ কেতিয়া নাইকিয়া হ'ব।

মধুৰকৃষ্ণা দাস

সপ্তম ষাণ্মাসিক

— ০ —

গল্প

# আশাৰ ৰেঙণি

আজি কিমান দিনৰ পাছত যে শিক্ষক নবীন বৰুৱাৰ ঘৰখনলৈ সুখ আহিছে। পত্নীক হেৰুৱাৰ দিনৰ পৰাই ঘৰখনত যেন সুখবোৰ লোহোৰা হৈ পৰিছিল। আজি বৰুৱাৰ ঘৰত উদুলি-মুদুলি পৰিৱেশ। কাৰণ তেওঁৰ পুত্ৰ ভাৰ্গৱে ইউ. পি. এচ. চি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। ওচৰ চুবুৰীয়া আৰু আত্মীয় সকলে ভাৰ্গৱৰ ফলাফল শুনি ঘৰখন ভৰালি কৰিছেহি।

নবীন বৰুৱা তেওঁৰ কন্যা জয়িতা আৰু ভাৰ্গৱৰ মনত সুখ-দুখ, হাঁহি কান্দোনৰ সমাহাৰ। পুত্ৰৰ সাফল্যত দেউতাকৰ চকু যেন্মেকি উঠিছে। মচিবলৈ কিয় কষ্টকময় জীৱনৰ ৰঙীন ফুলাম সপোনবোৰৰ পম খেদি খেদি হাজাৰ বাধা নেওচি কৰা সংগ্ৰামৰ জয় এইয়া সেয়ে চকুপানী ওলোৱা স্বাভাৱিক।

মাক ঢুকুৱাৰ সময়ত ভাৰ্গৱে হায়াৰ ছেকেণ্ডাৰী পাছ কৰিছিল আৰু জয়িতা আছিল নৱম শ্ৰেণীৰ ছাত্ৰী। ল'ৰা-ছোৱালী দুটাৰ দায়িত্ব আৰু হঠাৎ প্ৰিয়জনক হেৰুৱাৰ দুখে বৰুৱাৰ মনত বিৰহৰ খুলনি লুটিছিল। এই দুখে তেওঁক হৃদৰোগী কৰি পেলাইছিল। মাক ঢুকুৱাৰ দুবছৰ পাছতে নবীন বৰুৱাৰ শিক্ষকতা জীৱনৰ সামৰণি পৰিছিল। নিজৰে লগতে দেউতাকৰ প্ৰতি থকা দায়িত্বক সামৰি জয়িতাই পঢ়া-শুনাৰ লগতে ঘৰখনৰ সকলো ক্ষেত্ৰৰ প্ৰতি দায়বদ্ধ হৈ পৰিছিল। অতি কম সময়তে ঘৰখনৰ দায়িত্ব ল'ব লগা হোৱাত তাই হায়াৰছেকেণ্ডাৰী পাছ কৰাৰ পাছতে শিক্ষা জীৱন সামৰি বোৱা-কটা, ৰুমাল চিলাইৰ লগত নিজকে ব্যস্ত ৰাখিলে।

দেউতাকৰ পেঞ্চনৰ টকা কেইটাৰে ঘৰখনৰ লগতে ককায়েকৰ উচ্চ শিক্ষাৰ সকলো খৰচ বহন কৰিব লগা হৈছিল। পেঞ্চনৰ টকা কেইটাৰে ঘৰখনৰ সকলো অভাৱ পূৰণ কৰিব পৰা নাছিল। সেয়ে জয়িতাই নিজৰ পৰিৱৰ্তে ককায়েকৰ শিক্ষাত প্ৰয়োগ কৰিবলৈ কৈছিল। ককায়েকৰ ওপৰতে দেউতাক আৰু তাইৰ আশা যে এদিন ভাৰ্গৱ সফল হ'ব। অৱশেষত এই আশাই চিন ধৰিলে। সকলোৰে ভবা মতে ভাৰ্গৱে সুফল আনাত সামৰ্থ্য হ'ল।

বহুদিন ধৰি আউসীৰ আন্ধাৰে বেৰি ৰখা ঘৰখনত নতুন দিগন্তৰ নতুন জ্যোতিৰে আলোকিত হৈ আশাৰ ৰেঙণি বিয়পি পৰিছে। নবীন বৰুৱাই আশা কৰিছে এই ৰেঙণি সদায়েই থাকক সোণালী হৈ।

নীহা দত্ত
পঞ্চম ষান্মাসিক

গল্প

# সীমান্তৰ প্ৰহৰী

হঠাতে ভেৰেকৈ এটা শব্দ হ'ল, সি চলি পৰিল। লাহে লাহে তাৰ আগত পুৰণি ঘটনাবোৰ এটা এটাকৈ ভাঁহি আহিবলৈ ধৰিলে।

সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতেই তাৰ ঘৰৰ সন্মুখেৰে পাৰ হৈ যোৱা সৈন্যৰ দলটো দেখি তাৰো মনত ভাব হৈছিল, সিও সীমান্তৰ প্ৰহৰী হ'ব। দেশৰ জনগণক ৰক্ষা কৰিব। এই সপোন আগত লৈয়েই সি মেট্ৰিকৰ দেওনাখন পাৰ হ'ল। পঢ়াত সি ইমান ভাল নাছিল যদিও বৰ বেয়াও নাছিল। কিন্তু তাৰ উচ্চ শিক্ষা লোৱাত কোনো ধৰণৰ আগ্ৰহ নাছিল। দিনে ৰাতিয়ে তাৰ মনত বুট জোতা পিন্ধা, হাবি আৰু পৰ্বতৰ শিখৰত ৰখাই থকা প্ৰহৰীসকলেহে দোলা দি থাকিছিল। গতিকে সি মাকক তাৰ সপোন আৰু আগ্ৰহৰ কথা ক'লে। মাক দেউতাৰ একমাত্ৰ আলাসৰ পুত্ৰ এনে হেপাহ দেখি মাক চক খাই উঠিল। অলপো কষ্ট কৰি নোপোৱা ল'ৰাটোৱে কেনেদৰে ইমান কষ্টৰ কাম কৰিব। কেনেকৈ তেওঁলোকৰ চকুৰ আগৰ পৰা আঁতৰাই পঠাব। কিন্তু দেউতাকে তাক সহযোগ কৰিলে। দেউতাকে ক'লে যদি সি বিচাৰে তেনেহ'লে সি নিজৰ ইচ্ছামতে যাব পাৰে। যদি দেশৰ বাবে তেওঁৰ পুত্ৰই জীৱন দিয়ে তেনেহ'লে তেওঁৰ দুখ কৰিবলৈও কোনো কাৰণ নাই।

দেউতাকৰ এই কথাষাৰেই তাক উৎসাহ দিলে, সি যথেষ্ট কষ্ট কৰিলে আৰু সীমান্তলৈ যাবৰ বাবেও নিৰ্বাচিত হ'ল। যোৱাৰ দিনা সি মাকৰ ভৰি চুই সেৱা এটা কৰিলে। লগে লগে মাকে হুক হুকাই কান্দি উঠিল। কপালত চুমা এটা খাই তাক বিদায় দিলে। নিজ পুত্ৰৰ ইচ্ছাত গৌৰৱী দেউতাকে কিন্তু তাক হাঁহিমুখেই বিদায় দিলে। যাত্ৰাৰ সময়ত সি আঁৰ চকুৰে মাকলৈ চালে, মাকৰ মুখত তেতিয়া নিজ পুত্ৰৰ গৌৰৱত মুখত এক ঈষৎ হাঁহি বিয়পি আছিল আৰু আজি তাৰ সীমান্তত দ্বিতীয় বছৰ। মোবাইল ফোনৰ কোনো সুবিধা নথকাৰ বাবে সি বহু দিনৰ মূৰত ঘৰলৈ এখন চিঠি প্ৰেৰণ কৰে। কিন্তু এইকেইদিন যুদ্ধৰ পৰিৱেশ অধিক ভয়ানক হোৱাৰ বাবে বহুদিন ঘৰৰ কোনো খবৰেই পোৱা নাই। তেতিয়াহে তাৰ মনত পৰিল— কালিয়েই লিখা চিঠিখন আজিও ডাকত দিয়া নহ'ল আৰু চাগে কোনোদিন নহ'বই।

লাহে লাহে তাৰ চকুৰ পতা জাপ খাই আহিল। ধূসৰ চকুৰে সি দেখা পালে তাৰ বুকুৰে বৈ যোৱা তেজৰ সৈতে সংযোগ হৈছে আনখন দেশৰ এজন সৈনিকৰ বুকুৰ তেজৰ চেকুৰা।

পাৰিস্মিতা দুৱৰা
পঞ্চম ষাণ্মাসিক

(অনুগল্প)

# প্ৰাপ্তি

হয়তো আজিৰ দিনটোত নিশাৰ সমান সুখী মানুহ আৰু কোনো নাই। আজি তাই সপোনে বাস্তৱ ৰূপ পাইছে। মাক দেউতাকৰ কষ্টবোৰ এপাহি ফুল হৈ আজি ফুলি উঠিছে।

নিশাৰ দেউতাক দিন হাজিৰা কৰা ব্যক্তি, মাক ঘৰুৱা কামত ব্যস্ত হৈ সবাৰ লগতে তাঁত বোৱা, কাপোৰ চিলোৱা আদি কামৰ লগত জড়িত হৈ দুই এক টকা উপাৰ্জন কৰে। দুয়োজনে কষ্টেৰে তাইক পঢ়াই শুনাই কিবা এটা কৰোৱাৰ ইচ্ছা। সেই অনুপাতে নিশাইয়ো কষ্ট যথেষ্ট কৰে।

আজি ২২ ফেব্ৰুৱাৰী তাই হেপাঁহৰ চাকৰিত যোগ দিব। এগৰাকী হাইস্কুল শিক্ষয়িত্ৰী হিচাপে তাইৰ জীৱনৰ আজি প্ৰথম দিন, ওলাই গৈ মাক-দেউতাকৰ চলচলীয়া চকুযোৰ দেখিছিল তাই, সেই চলচলীয়া চকুযোৰি দেখি নিশাৰ দুখ লগা নাছিল, বৰঞ্চ তাই গৌৰৱ অনুভৱ কৰিছিল। কষ্টৰ ঘোৰ যেতিয়া শেষত এপাহি ফুল হৈ ফুলি উঠে, তেতিয়া, কষ্ট কৰিও ভাল লাগে।

— জ্যোতিস্মিতা চাংমাই।
— তৃতীয় ষাণ্মাসিক।

(কবিতা) তুমি অসমৰ প্ৰথম মহিলা শ্বহীদ

বুৰঞ্জী মানেই
ৰজা, মহাৰজা, চুলতান, বাদশ্বাহ
আৰু শাসক শ্ৰেণীৰ জীৱন-কাহিনী
বুৰঞ্জী মানেই
সাধাৰণ জনতা, শ্ৰমজীৱি কৃষক আদিক দমন কৰা
এক নাটকীয় এক ছায়া কাহিনী
অথচ: লিখাই নহ'ল বুৰঞ্জীৰ পাতত
তোমাৰ অসীম বলিদানৰ কাহিনী ।
বৃটিছৰ শাসনত, বৃটিছৰ অত্যাচাৰত অতিষ্ঠ দেশৰ জনতা
কত নাৰী, ক'ত গাভৰুৰ যৌৱন
কামনাৰ বলি মাথোঁ - ঔপনিবেশিকতা শাসনৰ বাবে
ক্ৰমশঃ দাসত্ব শিকলিৰে আবদ্ধ হ'লি
এজন - দুজন কৰি আৰু তিনিজন
বৃটিছ চাহাবৰ পণ্য সামগ্ৰী হ'ল ।
২ এপ্ৰিল ১৯২১ চন
তেজপুৰৰ ভেলান্টিয়াৰ ফুলেশ্বৰৰ "মা" সম্বোধনে
কিয় গ'লাহি নিঃসন্তানৰ দুখৰ কাঢ়
পৰিৱৰ্তন মাথোঁ হৃদয়ত নহয় পৰিৱৰ্তন জীৱনত ।
নিকৃষ্ট বৃটিছ চাহাবৰ কৌশলে
তোমাৰ বুকু উদং
নিঃসন্তান কৰি অপমানিত কৰিছিল তোমাৰ মমতাক ।
আৰম্ভ হৈছিল অসহযোগ আন্দোলন

চৌদিশে মাথোঁ মহাত্মা গান্ধীৰ আদৰ্শ
জনতাৰ হৃদয়ত জোৱাৰ উঠিল দেশ প্ৰেমৰ
শ্লোগান মাথোঁ বিদেশী সামগ্ৰী বৰ্জন
যুঁজ বৃটিছৰ উপনিবেশিকতাবাদৰ বিৰুদ্ধে
অস্ত্ৰ- শস্ত্ৰ মাথোঁ অহিংসা নীতি ।
ক্ৰমশঃ তুমিও অসহযোগ আন্দোলনত
স্বতন্ত্ৰতা সেনানী ।
মদ নিবাৰণী অভিযানত সক্ৰিয় অংশ
গ্ৰহণৰ বাবে ।
পুলিচৰ হাতত শেষ হ'ল তোমাৰ জীৱন ।

— টুনুমণি বৰুৱা ।
— তৃতীয় ষাণ্মাসিক ।

কবিতা

# সেউজীয়াৰ দেশ

নিয়ৰ সিক্ত আকাশৰ সুবাস ভালপোৱা
উন্মনা আকাশৰ আমি এক সেউজীয়া পক্ষী,
এটি সপোনৰ শেষত এটি সপোনে পাখি মেলে আমাৰ,
শব্দই নিঃসংগতাত ভৰা ফুলৰ বুটা বাছে।
সেউজীয়া সপোনবোৰে ছোৱালী মহাবিদ্যালয়ৰ
কেনভাচ ৰঙীন কৰি তোলে।
প্ৰেমৰ উন্মেষত মতলীয়া হয়,
শিৱসাগৰৰ বৰ পুখুৰীৰ পাৰ।
কল্লুলিত হয় শিৱ দলৰ প্ৰাঙ্গনে।
সংগোপনে হৃদয়লৈ নামি আহে
এজাক জোনাকৰ বৰষুণ।

— কস্তুৰী গগৈ
প্ৰথম ষাণ্মাষিক

কবিতা

# নিসংগতা

এখনে আকাশ
এখন ক'লা ডাৱৰ,
জোনটো শুই পৰিছে
হয়তো বৰষুণ আহিব,

মোৰ কনমানি কলিজাটো
কঁপি উঠিছে বাৰে বাৰে
এটা অহেতুক ভয়ত,
চপৰা চপৰে খহি পৰিছে
মোৰ বাখৰুৱা সপোনবোৰ।

তাঁৰ ছিঙা হৃদয় বীনত
আপোনা আপুনি বাজি উঠিছে
এটা চিংফৌ বাঁহীৰ সকৰুণ সুৰ,
শৰৎ কালৰ ফেৰফেৰীয়া সুবাসবোৰে
বিষনিমেল পাতিছেহি বুকুৰ বাকৰিত

মই পলাব খুজিছোঁ
নিসংগতাৰ গলিয়েদি
কোনোবা আপোন কবৰথলী বিচাৰি...

অংকিতা গগৈ
পঞ্চম ষান্মাসিক

কবিতা

# শৰতৰ আগমণ

খিৰিকীৰ মুখত
শেৱালীৰ স্নিগ্ধ সুবাসে
শৰত অহাৰ বাতৰি দিলে।
সৌৱা আহিনৰ গোঁৰ ধৰা ধাননি পথাৰখনে
পিন্ধি ললে নিয়ৰৰ মুকুতা
খৰিকাঁজাই, হাচনাহানাৰ গোন্ধত
স্বপ্নবিভোৰ নিশাটিত ৰাতিৰ আকাশত
জোনাকীৰ আঁচল উৰুৱাই জোনালী সিঁচিছে
ক্রমে এখুজি দুখুজি খোজেৰে
শৰত আহিছে সংগোপনে হৃদয়লৈ....

শ্ৰীমতী মাইনী মহন।
তৃতীয় ষাণ্মাসিক।

# কুইজ

প্ৰ: ২০২২ T-20 এচিয়ান কাপ কোনখন দেশত অনুষ্ঠিত কৰা হ'ব?
উ: সংযুক্ত আৰব।
প্ৰ: ২০২৮ গ্ৰীষ্মকালীন অলিম্পিক আৰু পেৰালিম্পিক ক'ত অনুষ্ঠিত কৰা হ'ব?
উ: আমেৰিকা লচ এঞ্জেলচ।
প্ৰ: চন্দ্ৰশেখৰ আজাদৰ সুউচ্চ প্ৰতিমূৰ্তি ভাৰতৰ কোনখন চহৰত নিৰ্মাণ কৰা হয়?
উ: মধ্যপ্ৰদেশৰ ভূপাল চহৰত।
প্ৰ: ভাৰতৰ প্ৰথমগৰাকী আদিবাসী মহিলা ৰাষ্ট্ৰপতি গৰাকীৰ নাম কি?
উ: দ্ৰৌপদী মুৰ্মো।
প্ৰ: কোনখন ৰাজ্য চৰকাৰে 'জলবায়ু পৰিৱৰ্তন মিছন' আৰম্ভ কৰিছে?
উ: তামিলনাডু।
প্ৰ: প্ৰতিবছৰৰ কোন তাৰিখে 'কাৰগিল বিজয়' দিৱস পালন কৰা হয়?
উ: ২৬ জুলাই।
প্ৰ: শ্ৰীলংকা দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কোনে শপত গ্ৰহণ কৰিছে?
উ: দীনেশ গুণৱৰ্দ্ধনে,
প্ৰ: অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয় অসমৰ কোন ঠাইত আছে?
উ: দেৰগাঁও।

শিল্পীশিখা বুঢ়াগোঁহাই
প্ৰথম ষান্মাসিক

# মহৎ লোকৰ বাণী

1) শ্ৰেষ্ঠ লোকক শিকাওঁক যে আনেয়ে তোমাৰ মন কোনোকে নিজে অৰ্জা উচ্চতাৰ মূল্য বহন কৰিছে। এই শিক্ষাই আমাক আশা আৰু সাহস দিব পাৰিলেহে উদ্দীপিত কৰিব

— আব্ৰাহাম লিংকন।

2) জীৱনটোত যদি ঘাত প্ৰতিঘাতেই নাথাকে তেন্তে সেইটো জীৱনেই অৰ্থ নোপাব। জীৱনটো হৈছে এটা কলা। এই কলাকাৰ বাধা বিবাদিত্ব আশা আৰু আকাংক্ষাৰ জোৰবাই হৈছে জীৱনৰ আসল ইয়াৰ অভিযানে জীৱনৰ প্ৰতি মৰমি স্বকাই।

জৱাহৰলাল নেহৰু।

3) প্ৰত্যেক দিনেই জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা।

জিম কৰবেট।

নাম: পৰীক্ষিতা বৰুৱা।
দ্বিতীয় ষাণ্মাসিক।

# কৌতুক

* শিক্ষক: লিংগ পৰিৱৰ্তন কৰা
ছাত্ৰ: লাখ টকা দিলেও নকৰো।

* শিক্ষক: (ছাত্ৰৰ উদ্দেশ্যে): কোৱাচোন তই দিল্লীলৈ বেছি দূৰ নে চন্দ্ৰলৈ বেছি দূৰ।

ছাত্ৰ: (শিক্ষকৰ ফালে চাই): চাৰ, দিল্লীলৈ বেছি দূৰ।

শিক্ষক: (আচৰিত হৈ): কেনেকৈ?

ছাত্ৰ: চাৰ চন্দ্ৰটো সদায় দেখি থাকোঁ দিল্লীহে নেদেখো।

নাম: কবীতা গগৈ।
দ্বিতীয় ষাণ্মাসিক।

# সাঁথৰ

★ আঁতত আছ পোটা নভৰে মুখেও নাপায়।

⇒ উজুটি।

★ পুৱাৰ ভাগত চাৰিখন দুপৰীয়া দুখন সন্ধিয়া হলে তেওঁক লাগে ভৰি চাৰিখন তেওঁ বাৰু কোন কৰিছানে মন।

⇒ মানুহ।

★ জন্ম অৱতাৰে সুৱত টুপী, কৃষ্ণ অৱতাৰে ভুলাই গোপী, ৰাম অৱতাৰে ৰাৱণ বধে, সেই তৰকাৰি ঘৰে ঘৰে।

⇒ বাঁহগাছ।

— চিত্ৰলী গগৈ।
পঞ্চম ষান্মাসিক।

# ফকৰা-যোজনা

★ এনে বুঢ়ী নাচনী, তাতেই নাতিনীয়েকৰ বিয়া।

★ হস্তীৰো পিচলে পাৰ, সজ্জনৰো বুৰে নাও।

★ লোকলৈ বুলি থলে পুতি নিজে মৰে ফুটি।

★ ধাৰেৰে কাটিলেও কটা, গাদিৰে কাটিলেও কটা।

— মৌচুমী বুঢ়াগোঁহাই।
পঞ্চম ষান্মাসিক।

# English Section

# HEALTH AND HYGIENE

Health is Well in terms of Physical, Social as well as mental aspects of a Person. Having God health helps us to function better. Being healthy helps us to fight against desease and make Our bodies healther. Hygiene refers to everybody, practices to Keep Ourselves healthy. These practise protect us from illnesses.

We must Consume a healthy diet, balanced with the different foods. Fruits and Vegetables have vital minerals and Vitamins Which we need. Drinking fluids helps to remove all the toxins in our body.

Pure drinking water helps to keep us hydrated.

We must cut down on Juck food and eat Protein-rice meals. Milk makes our bones strong. Washing fruits and Cook Vegetables before Consuming them is Vital.

Cleanliness is also necessary. Taking bath regularly and wearing clean Clothes improves our Hygiene. Washing hands helps to Keep germs away. We must cut our nails when they grow long and brush and floss our teeth everyday.

Hygiene and good health also include Keeping our surrounding clean.

We must dispose of Garbage correctly and not throw it on the streets is highly unhygienic.

We must adopt these practices not just to keep Ourselves fit but also for our society.

Hygiene refers to Practices to ensure that we have Good health. Hygiene Protects our body from diseases and helps our immune System become more robust.

Mansifa Ali
5th Semester.

# Teacher's Day

Teacher's day is celebrated every year on september 5 to mark the birth anniversary of Dr. Sarvapalli Radhakrishnan, who was the first vice president of India (1952-1962) and also a teacher and philosopher. This day is observed to honour the bond between the children and their mentors who influence their lives in several ways. In India, september 5 is marked as Teacher's day whereas worlds Teacher's Day is celebrated every year on October 5.

This day is important for the students as it gives them a chance to understand the efforts put in by their teacher to ensure that they get a proper education. Similarly, teachers also look forward to the Teacher's day celebration on their efforts get recognised and honoured by students and other agencies as well. Teacher's day

is one such event to which students and teachers equally look forward.

Dr. Radhakrishnan on whose birthday we celebrate teacher's day, was born to a Brahmin family in Tirutta-ni of Andhra Pradesh on 5 sept 1888. He was consi-dered an incredible student and also an exemplary teacher who dedicated his life to education. Dr. Ra-dhakrishnan was a popular teacher among his students during his teaching career.

Teachers nourish and prepare students for their future as they are the real icon of knowledge and wisdom. But, despite of playing such a crucial role in the lives of students and in na-tion, building they rarely are shown the gratitude that they deserve.

So, as a student, it is our duty to

thank them at least once a year and Teacher's day gives us an ideal opportunity to do so.

Rupa Kumari

5th semester

# Quotes

* Be not afraid of life. Believe that life is worth living and yours belief will help create the fact.

— William James

* Learn from yesterday
Live for today
Hope for tomorrow
The important thing is not to stop questioning.

— Albert Einstein

* The purpose of education is to make good human beings with skills and expertise, Enlightened human beings can be created by teachers

— APJ Abdul kalam

* The successful man will profit from his mistakes and try again in a different way.

— Dale Carnegie

Simroon Hussain, 5th semester